# 2017

## ASSAMESE

## ( Modern Indian Language )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। পোনপটীয়া উত্তৰ দিয়া : ১×১০=১০

(ক) 'কালিয় দমন' নাটৰ প্ৰধান চৰিত্ৰটোৰ নাম লিখা।

(খ) অংকীয়া নাটৰ মূল ৰস কি?

(গ) কালি নাগে পূৰ্বে ক'ত বাস কৰিছিল?

(ঘ) 'নিগ্ৰো' নামৰ নাটৰ নাট্যকাৰজন কোন?

(ঙ) ভেকোলা কোন আছিল?

(চ) ঔগুৰি চাহ বাগিচাৰ হাজিৰা মহৰী কোন আছিল?

(ছ) আজান ফকিৰ ক'ৰ পৰা অসমলৈ আহিছিল?

(জ) ৰূপাই দাধৰাক কোনে হত্যা কৰিছিল?

(ঝ) ইটাখুলি ৰণত কোনে জয়লাভ কৰিছিল ?

(ঞ) 'এজাক জোনাকীৰ জিলমিল' নাটকখনৰ মুঠ চৰিত্ৰ কেইটা ?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) 'কালিয় দমন' নাটখনৰ মূল ঘটনা কেইটা আৰু কি কি ?

(খ) "আহে স্বামী, ওহি বিষ-পানী পিএ প্ৰাণে মৰল হামি তোহাক প্ৰসাদে পুনৰ্বাৰ উপজল।"

এইদৰে কোনে, কাক কৈছিল ?

(গ) "লোকে কত হাতী বেচিছে মই আৰু বটুৰা ঘোঁৰা এটা বেচিব নোৱাৰিমনে ?"

এই কথাষাৰ কোনে, কাক উদ্দেশ্য কৰি কৈছিল ?

(ঘ) "জীয়াই থাকিলে ভাতে আটিব, মৰিলে গাঁতে আটিব।" কথাষাৰিৰ তাৎপৰ্য কি ?

(ঙ) "তুমি গছৰ ফেৰেঙনিত টোপনি যোৱা মানুহ; তোমাৰ কিটো আছে ?"

বুঢ়ীয়ে চকীদাৰক এইদৰে কিয় কৈছিল ?

৩। চমুকৈ উত্তৰ দিয়া (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) ভটিমা মানে কি ? ভটিমা কেই প্ৰকাৰৰ আৰু কি কি ?

(খ) নান্দীশ্লোক মানে কি ? অংকীয়া নাটত নান্দীশ্লোক কোনে গায় ?





(গ) মাকৰী মেম কোন ? মিষ্টাৰ ফক্স চাহাবৰ তেওঁ কি হয় ?

(ঘ) 'জিকিৰ গীত' বুলিলে কি বুজা ? 'শৰাগুৰি চাপৰি' নাটকখনত এনে গীতৰ প্ৰয়োগ আছেনে ?

(ঙ) "গৰ্ভত থকা সন্তানৰ মুখ কোনো মাতৃয়ে অকালতে চাবলৈ ইচ্ছা নকৰে। কৰিলে দুয়োৰে মৃত্যু হয়।"

এই কথাষাৰৰ পৰা বক্তাৰ কেনে মনোভাৱ প্ৰকাশ পাইছে ?

৪। অংকীয়া নাট কাক বোলে ? অংকীয়া নাটৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা। ১০

*অথবা*

সংস্কৃত নাটকৰ লগত অংকীয়া নাটৰ কি কি বিষয়ত সাদৃশ্য দেখা যায়, আলোচনা কৰা। ১০

৫। বুৰঞ্জীমূলক নাটক কাক বোলে ? 'শৰাগুৰি চাপৰি' নাটকখনক বুৰঞ্জীমূলক নাটক বুলি ক'ব পাৰিনে ? আলোচনা কৰা। ১০

*অথবা*

'শৰাগুৰি চাপৰি' নাটকখনৰ মাজেৰে আজান ফকিৰৰ জীৱন দৰ্শন কেনেদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰা। ১০

৬। 'মহৰী' নাটকখনৰ বিষয়বস্তু সম্পৰ্কে চমু আলোচনা কৰি ইয়াত হাস্যৰস কেনেদৰে ফুটি উঠিছে, বিচাৰ কৰা। ১০

*অথবা*

'মহৰী' নাটকখনৰ ভাবিৰাম আৰু ফক্স চাহাব চৰিত্ৰ দুটিৰ তুলনামূলক আলোচনা দাঙি ধৰা। ১০

৭। 'এজাক জোনাকীৰ জিলমিল' নাটকখনৰ নায়িকা চৰিত্ৰটিৰ বিষয়ে এটি আলোচনা দাঙি ধৰা। ১০

*অথবা*

'এজাক জোনাকীৰ জিলমিল' নাটকখনৰ মাজেৰে দ্বিতীয় বিশ্বযুদ্ধৰ পৰৱৰ্তী অসমীয়া সমাজখনৰ সামাজিক চিত্ৰ কেনেদৰে ৰূপায়িত হৈছে, আলোচনা কৰা। ১০

★★★